# 2018

## ASSAMESE

## ( Major )

Paper : 1.1

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। অতি চমু উত্তৰ লিখা (এটা বা দুটা শব্দত) : ১×১০=১০

(ক) 'বান্দৰ আৰু শিয়াল' সাধুটো কোন শ্ৰেণীৰ সাধু ?

(খ) অসমীয়া ভাষাত ৰচিত এবিধ মন্ত্ৰৰ নাম লিখা।

(গ) অসমীয়া সমাজত প্ৰচলিত 'কুঁহিয়াৰ পেৰা গীত' লোকগীতৰ কোনটো ভাগৰ অন্তৰ্গত ?

(ঘ) 'প্ৰহ্লাদ চৰিত্ৰ' কাব্যৰ আধাৰ গ্ৰন্থ কি ?

(ঙ) 'সাত্যকি প্ৰৱেশ' কোনে লিখিছিল ?

(চ) 'ৰামায়ণ'ৰ আধাৰত শংকৰদেৱে ৰচনা কৰা অংকীয়া নাটখনৰ নাম কি ?

(ছ) 'শুক-ভটিমা'ৰ ৰচক কোন ?

(জ) অনন্ত কন্দলিৰ কবিজীৱনৰ প্ৰথম কাব্যখনৰ নাম কি ?

(ঝ) অসমৰ প্ৰাচীনতম লিপি কোনখন?

(ঞ) মধ্যযুগত সংস্কৃত টোলক কেন্দ্ৰ কৰি সৃষ্টি হোৱা অসমীয়া লিপিবিধৰ নাম কি?

২। এটা বা দুটা বাক্যত উত্তৰ লিখা : ২×৫=১০

(ক) বাৰমাহী গীত কোন শ্ৰেণীৰ গীত? অসমীয়া বাৰমাহী গীত কোন মাহৰ পৰা আৰম্ভ হয়?

(খ) হৰিবৰ বিপ্ৰৰ যুদ্ধ কাব্য দুখনৰ নাম লিখা।

(গ) কোনটো গীতক শংকৰদেৱৰ প্ৰথম বৰগীত বুলি কোৱা হয়? গীতটো তেওঁ কোন ঠাইত ৰচনা কৰিছিল?

(ঘ) ভাগৱত শাস্ত্ৰত থকা পাণ্ডিত্যৰ বাবে অনন্ত কন্দলিক কোন দুটা উপাধি দিয়া হৈছিল?

(ঙ) গুপ্ত লিপিৰ আখৰৰ সৈতে অসমৰ কোন দুখন প্ৰাৰম্ভিক লিপিৰ সাদৃশ্য পৰিলক্ষিত হয়?

৩। যি কোনো চাৰিটা প্ৰশ্নৰ উত্তৰ লিখা : ৫×৪=২০

(ক) অসমীয়া ভক্তিমূলক গীত সম্পৰ্কে এটি চমু টোকা প্ৰস্তুত কৰা।

(খ) প্ৰাক্-শংকৰী যুগৰ সাহিত্যত জতুৱা ঠাঁচ-পটন্তৰৰ ব্যৱহাৰৰ বিষয়ে লিখা।

(গ) বৰগীতৰ বৈশিষ্ট্যসমূহ আলোচনা কৰা।

(ঘ) এগৰাকী পাঁচালী কবিৰ বিষয়ে এটি টোকা প্ৰস্তুত কৰা।

(ঙ) সুৰেন্দ্ৰ বৰ্মাৰ উমাচল শিলালিপি আৰু নগাজৰী খনিকৰ গাঁৱৰ প্ৰস্তৰ লিপি সন্দৰ্ভত এটি চমু আলচ যুগুত কৰা।

৪। (ক) গোৱালপৰীয়া লোকগীতৰ বিষয়ে এটি নিবন্ধ যুগুত কৰা। ১০

*অথবা*

(খ) ডাকৰ বচনত উল্লিখিত ৰীতি-নীতি, বাধা-নিষেধ, কৃষি-কৰ্ম, জাত-কৰ্ম আদিৰ পুংখানুপুংখ বিৱৰণৰ মাজেৰে লোকজীৱনৰ প্ৰকাশ কেনেদৰে ঘটিছে, আলোচনা কৰা।
২+৮=১০

৫। (ক) 'সপ্তকাণ্ড ৰামায়ণ'ৰ আধাৰত মাধৱ কন্দলিৰ কাব্য-প্ৰতিভা বিচাৰ কৰা। ১০

*অথবা*

(খ) অসমীয়া কাব্য-সাহিত্যৰ ইতিহাসত হৰিবৰ বিপ্ৰৰ স্থান নিৰূপণ কৰা। ১০

৬। (ক) কি কি বিষয়ত শংকৰদেৱৰ অংকীয়া নাটৰ সৈতে মাধৱদেৱৰ ঝুমুৰাৰ পাৰ্থক্য পৰিলক্ষিত হয়, বিচাৰ কৰা। ১০

*অথবা*

(খ) ৰাম সৰস্বতীৰ বধ কাব্য সম্পৰ্কে এটা আলোচনা আগবঢ়োৱা। ১০

৭। (ক) খ্ৰীষ্টীয় পঞ্চম শতিকাৰ পৰা ত্ৰয়োদশ শতিকালৈ অসমীয়া লিপিৰ গতি-প্ৰকৃতি সন্দৰ্ভত আলোচনা কৰা। ১০

*অথবা*

(খ) মধ্যযুগীয় অসমীয়া লিপিৰ বিষয়ে এটি নিবন্ধ যুগুত কৰা। ১০

★★★